ঐক্যও ৰক্ষা হোৱা দেখা যায়। সেইদৰে গোস্বামীৰ গল্পত চৰিত্ৰ চিত্ৰণ বাস্তৱধৰ্মী আৰু প্ৰায়বোৰ চৰিত্ৰই জীৱনৰ মৌলিক অনুভূতিৰ দ্বন্দ্ব প্ৰকাশক। তদুপৰি গোস্বামীৰ সৰহসংখ্যক গল্পতে জীৱনৰ কাৰুণ্যই প্ৰধান ঠাই পাইছে বাবে গোস্বামীৰ গল্পত কাব্যিক আবেদন এটাও অনুভূত হয়। মুঠতে বিষয়-বস্তু নিৰ্বাচনত বাস্তৱ দৃষ্টিভংগী, ভাব-বস্তুত সমাজ সচেতনতাজনিত মানৱীয় আবেদন আৰু ৰোমাণ্টিক কোমল অনুভূতিৰ মিশ্ৰণ ঘটিছে গোস্বামীৰ গল্পত। সেইদৰে ঘটনাৰ ঐক্য, ভাষাৰ সংযম আৰু কাব্যিক অনুভূতিৰ গভীৰ আবেদনৰ বাবেই গোস্বামীৰ গল্পই অসমীয়া চুটি গল্পক বিকাশৰ বাটত বহু পৰিমাণে আগুৱাই আনিলে আৰু আঙ্গিকৰ দিশতো অসমীয়া চুটি গল্পৰ শিল্পমূল্যৰ উত্তৰণ ঘটালে।